# Course 507

# পৰিচালনা পদ্ধতিসমূহ
# বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব

ব্লক - 3

গোট - 12

টোকা

## গোট - 12 ঃ পৰিচালনা পদ্ধতিসমূহ বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব

# গাঁথনি

12.0 পাতনি

12.1 শিকন উদ্দেশ্য

12.2 পৰিচালনাৰ পদ্ধতিসমূহ

12.2.1 অৰ্থ

12.2.2 স্বাভাৱিক অৱস্থা আৰু পৰিসৰ

12.3 পৰিচালনা পদ্ধতিৰ প্ৰকাৰসমূহ

12.3.1 জন-বলৰ প্ৰয়োজনীয়তা

12.3.2 খৰচ লাভালাভৰ বিশ্লেষণ

12.3.3 সামাজিক চাহিদা

12.3.4 সামাজিক ন্যায়

12.4. বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বত প্ৰতিটো পদ্ধতিৰ প্ৰসংগতা

12.5. বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব পৰিচালনা আৰু সংগঠিতকৰণ আৰু সম্পৰ্ক সবলীকৰণৰ পদ্ধতি

12.6 সাৰাংশ

12.7 পৰামৰ্শমূলক আৰু প্ৰাসংগিক পুথি

12.8 গোটৰ অনুশীলন

## 12.0 পাতনি ঃ

ইয়াৰ আগৰ গোটটোত মানৱ সম্পদক উৎপাদনৰ দৰকাৰী এজেণ্ট হিচাবে আলোচনা কৰা হৈছে। আপুনি জানে যে শিক্ষা আৰু প্ৰশিক্ষণে পৰিয়াল, সম্প্ৰদায়, সমাজ আৰু দেশৰ আয় বৃদ্ধিত সহায় কৰে। শিক্ষা আৰু প্ৰশিক্ষণক দামী যন্ত্ৰপাতিৰ দৰে মূলধন বিনিয়োগ কৰা বুলি ধৰা হয় আৰু শিক্ষাৰ পৰা লাভালাভ আশা কৰা হয়, বিশেষকৈ যিসকলে শিক্ষা আৰু প্ৰশিক্ষণত বিনিয়োগ কৰিছে। এই গোটটোত বিদ্যালয়ে আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষাৰ এজেণ্ট হিচাপে সমাজক আৰু ওলোটাকৈ সমাজে বিদ্যালয় কেনেকৈ ওচৰ চপাই আনিব পাৰে সেইটো জানিব পাৰিব। বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বটো সবল কৰিব পাৰি যিহেতু বিদ্যালয় সমাজৰ এটা এজেণ্ট। শিক্ষা আৰু প্ৰশিক্ষণে সমাজকো লাভান্বিত কৰে। শিক্ষা আৰু প্ৰশিক্ষণ অকল অৰ্থনৈতিক মূল্যই নহয় ইয়াত সামাজিক আৰু সাংস্কৃতিক মূল্যও আছে।



টোকা

## 12.1 শিকন উদ্দেশ্য ঃ

গোটটো পঢ়াৰ শেহত আপুনি সমৰ্থ হ'ব ঃ

- বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বৰ ধাৰণা ব্যাখ্যা কৰিবলৈ
- পৰিচালনা পদ্ধতিৰ প্ৰকাৰসমূহৰ শ্ৰেণী বিভাজন কৰিবলৈ, যেনে -

  (ক) জনশক্তিৰ প্ৰয়োজনীয়তা

  (খ) খৰচ-লাভালাভ বিশ্লেষণ

  (গ) সামাজিক চাহিদা

  (ঘ) সামাজিক ন্যায়
- বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বৰ প্ৰতিটো পদ্ধতিৰ প্ৰসংগতা আলোচনা কৰিবলৈ।
- বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বৰ প্ৰতিটো পদ্ধতিৰ প্ৰসংগতা আলোচনা কৰিবলৈ।
- বিদ্যালয় আৰু সমাজৰ সম্পৰ্ক সবলীকৰণ পদ্ধতি ব্যাখ্যা কৰিবলৈ।

## 12.2 পৰিচালনা পদ্ধতিসমূহ

### 12.2.1 অৰ্থ ঃ

এখন দেশৰ 15-65 বছৰৰ ভিতৰৰ লোকসকলক সেই দেশৰ জন-শক্তি বুলি বিবেচনা কৰিব পাৰি। শিক্ষিত জন-শক্তি এক সম্পদ। চীন, জাপান, আমেৰিকা, জাৰ্মান আৰু সৰু ডাঙৰ আন আন দেশৰ লোকসকলে নতুন প্ৰযুক্তি বিদ্যাৰ সহায়ত সম্পদ আহৰণ কৰাৰ কথা ভাবক। ভাৰতবৰ্ষত 6-14 বছৰ বয়সৰ ল'ৰা-ছোৱালীক সৰ্বশিক্ষা অভিযানৰ জৰিয়তে বিদ্যালয়লৈ পঠোৱাৰ অভিযান চলি আছে। ল'ৰা-ছোৱালীসকলক শিক্ষিত কৰিবলৈ আপুনি নিষ্ঠাৰে কৰ্তব্য পালন কৰি আহিছে যাতে তেওঁলোকে শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণ আহৰণ কৰাৰ পিছত তেওঁলোকৰ আয়ৰ ক্ষমতা বঢ়াব পাৰে। আপোনাৰ ৰাজ্যৰ বিদ্যালয়ৰ সা-সুবিধাৰ কথা ভাবক? যোৱা কিছু বছৰত ই সংম্প্ৰসাৰণ হোৱা নাইনে?

আপোনাৰ দেউতাক, পূৰ্বপুৰুষ আৰু আপোনাৰ চাৰিওফালে থকা গাঁৱৰ সমাজৰ শৈক্ষিক মৰ্যাদাৰ কথা বাবক। বস্তুবোৰৰ পৰিবৰ্তন হৈছে। শিক্ষা সম্প্ৰসাৰণ হৈ আছে। যিবিলাক প্ৰাথমিক স্তৰত উত্তীৰ্ণ হৈছে উচ্চ প্ৰায়মাৰী হৈছে, সেইদৰে উচ্চ প্ৰাথমিকৰ পৰা উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিকলৈ গৈছে আৰু সেইদৰে খোজে খোজে শিক্ষা জখলা বগাই গৈ আছে।

জন-শক্তিক শিক্ষা দিয়াটোৱে পৰিয়াল কাম হৈ থকা নাই, বৰং দিনে দিনে চৰকাৰ আৰু বেচৰকাৰী অনুষ্ঠানবোৰ বেছি জড়িত হৈছে। ই বাঞ্ছনীয় নহয় প্ৰয়োজনীয়ও।

টোকা

শিক্ষাক জীৱন জোৰা শিকন হিচাবে বিবেচনা কৰা হয় কাৰণ দিনে দিনে নতুন নতুন জ্ঞান আৰু কৌশল সংযোজিত হৈ আহিছে। কাৰিকৰী শিক্ষাৰ চাহিদা বাঢ়ি আছে। কম্পিউটাৰ শিক্ষাই নগৰ চহৰৰ ভিতৰুৱা অঞ্চলো ঢুকি পাইছে। শিক্ষা আৰু প্ৰশিক্ষণ কিয়? কাৰণ ই যিয়ে আহৰণ কৰিছে নকৰাসকলতকৈ তুলনামূলকভাৱে উচ্চমানৰ আয় কৰে।

সংক্ষেপে ক'বলৈ গ'লে বৰ্তমান বিশ্বত পৰিয়াল, সম্প্ৰদায়, সমাজ বা চৰকাৰৰ দৃষ্টিবংগীৰ পৰিবৰ্তন হৈছে। এই সকলো কৰ্তৃত্বই শিক্ষা আৰু প্ৰশিক্ষণ সুবিধা চুকে কোণে থকাটো প্ৰয়োজনীয় বুলি ভাবে। প্ৰতিযোগিতাৰ বৃদ্ধি, নতুন উৎপাদন পদ্ধতি, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰ, পৰিয়ালৰ উচ্চ মানৰ জীৱন নিৰ্বাহৰ বাবে পৰিয়ালৰ সকলো সদস্যৰে শিক্ষা আৰু প্ৰশিক্ষণত দৰকাৰ হৈ পৰিছে। শিক্ষা আৰু প্ৰশিক্ষণ অবিহনে ভৱিষ্যত অনুপ্ৰেৰণামূলক আৰু নিশ্চত নহয়। এতিয়া প্ৰশ্ন হৈছে শিক্ষা আৰু প্ৰশিক্ষণৰ বিস্তৃত ভূমিকা কেনেকৈ সুচাৰুৰূপে কাৰ্যকৰণ কৰিব পাৰি আৰু সম্প্ৰসাৰণ ভালদৰে নিয়ন্ত্ৰণ কৰিব পাৰি। জন-শক্তি বিশেষজ্ঞ আৰু অৰ্থনীতিবিদ সকলে গৱেষণাৰ দ্বাৰা ইয়াৰ উপায় উদ্ভাৱন কৰিছে আৰু জন-শক্তিৰ পদ্ধতিবোৰ শৈক্ষিক পৰিকল্পনাৰ বাবে পৰামৰ্শ আগবঢ়াইছে অধিক কাৰিকৰী দিশবোৰ ওপৰত জোৰ দিয়াকৈ এই পদ্ধতিসমূহে আলোচনা কৰো আহক।

## 12.2.2 স্বাভাৱিক অৱস্থা আৰু পৰিসৰ

ষাঠি দশকত (1960) স্কুটজে (1960) 'দি হিউম্যান থিওৰি এপ্ৰোচ' নামেৰে এটা চিন্ত আগবঢ়াইছে। ইয়াৰ মূল দিশ কেইটা তলত দাঙি ধৰা হ'ল ঃ

(1) এটা নতুন ধৰণৰ উৎপাদিত সম্পদৰ শিকন ফলাফলৰ পদ্ধতিটোক 'মানৱ সম্বল' বুলি জনা যায়।

(2) শিক্ষাৰ ক্ষেত্ৰত হোৱা খৰচ হ'ল এক বিনিয়োগ, যিয়ে মানৱ সম্বল আৰু বস্তু সম্বন্ধীয় মূলধন, এই দুয়োটাৰে ক্ষেত্ৰত ৰূপদান কৰিব পাৰে।

(3) কাৰখানাৰ উৎপাদন প্ৰণালীক তুলনা কৰাৰ দৰে শিকন প্ৰণালীকো একেধৰণে তুলনা কৰিব পাৰি।

(4) শিক্ষা আৰু প্ৰশিক্ষণ সমূহ পাৰ্থক্যগত হোৱা বাবে দৰমহাৰ ক্ষেত্ৰতো পাৰ্থক্য আহিছে, যিহেতু কৰ্মীসকলৰ কিছু পৰিমাণে লাভদায়ক উৎপাদন আৰু কাৰ্যদক্ষতা বৃদ্ধি হৈছে। কিছু পৰিমাণৰ লাভদায়ক উৎপাদন মানে হ'ল অতিৰিক্ত উৎপাদন যিটো নেকি অতিৰিক্ত বছৰৰ শিক্ষা আৰু প্ৰশিক্ষণৰ বাবে হৈছে।

যাওঁক শিক্ষা আৰু প্ৰশিক্ষণৰ পাৰিবাৰিক চাহিদা বাবে বেচৰকাৰী প্ৰাইভেটৰ চাহিদা তলত দিয়া কথাখিনি ওপৰত নিৰ্ভৰ কৰে ঃ

- স্বেচ্ছামূলক শিক্ষাৰ খৰচৰ পৰিবৰ্তন।
- শিক্ষাৰ কাৰণে প্ৰতিটো পৰিয়ালৰ ৰুচি বা পছন্দ।



টোকা

- ঘৰুৱা আয়-পাৰিবাৰিক আয় অধিক হ'লে শিক্ষা ক্ষেত্ৰত খৰচ বেছি কৰে বা ওলোটাকৈ কম আয় ক্ষেত্ৰত কম খৰচ কৰে।
- বিভিন্ন সুবিধাজনক বিনিয়োগৰ পৰা আশানুৰূপ ফল (শিক্ষা আৰু প্ৰশিক্ষণত বিনিয়োগ কৰা ধনৰ কম বা বেছি আশানুৰূপ ফল বা আন বিনিয়োগৰ ক্ষেত্ৰটো)

পিছলৈ জন-শক্তি পদ্ধতিৰ 'মানৰ সম্পদ' আৰ্হিটো সমালোচনা কৰা হৈছে কাৰণ গৱেষণাৰ পৰা দেখা গৈছে যে বজাৰ বা পাৰিবাৰিক আয় আৰু সম্পদৰ বিভাজন লগত দেশৰ শিক্ষা আৰু প্ৰশিক্ষণৰ একে নহয়।

আয়ৰ উৎস আৰু বিদ্যালয়ৰ পৰা পোৱা বিনিময়ৰ লগত শিক্ষা আৰু প্ৰশিক্ষণ স্তৰৰ লগত মিল নাথাকে। ইয়াৰ উপৰিও সম্পদৰ শ্ৰেণীত বিভাজন সামাজিক কাৰক বা শক্তি জড়িত থাকে, নহ'লে কম বেছি পৰিমাণে একে শিক্ষা আৰু প্ৰশিক্ষণ থকা আন এটা পৰিয়ালৰ লগত অৰ্থনৈতিক অৱস্থা একে হ'লহেঁতেন। দেশৰ সম্পদ বিভাজনৰ বৈষম্য হোৱাৰ ক্ষেত্ৰত প্ৰচলিত ব্যৱস্থাত আন শক্তি কিছুমানে কাম কৰে। এই শক্তিসমূহ সামাজিক বা ৰাজনৈতিক হ'ব পাৰে।

এই সামাজিক আৰু ৰাজনৈতিক শক্তিসমূহক অৰ্থনীতিবিদসকলে দেশৰ অৰ্থনৈতিক গাঁথনি হিচাপে বিবেচনা কৰে। থুৰুৰ (1972) মতে আয়ৰ বিভাজন/চাকৰিৰ সুবিধাসমূহৰ বিভাজনে স্থিৰ কৰে। আনহাতে শিক্ষা প্ৰশিক্ষণ লৈ শ্ৰমিকে চাকৰিৰ বাবে শাৰী পাতি থাকিব নোৱাৰে। দেশৰ চাকৰি আৰু শ্ৰমিকৰ চাহিদাৰ ওপৰত চাকৰিৰ সুবিধা নিৰ্ভৰ কৰে। চাহিদা পূৰণৰ বাবে কোনো শিক্ষা আৰু প্ৰশিক্ষণ লোৱা শ্ৰমিকৰ যোগানকে শ্ৰমিকৰ শাৰী বুলি কোৱা হৈছে। শিক্ষা আৰু প্ৰশিক্ষণৰ স্তৰ আৰু প্ৰকাৰ মতে চাকৰিৰ সুবিধাৰ ক্ষেত্ৰত শিক্ষা আৰু প্ৰশিক্ষণ সমল হিচাবে কাম কৰে। থুৰুৰ মতে চাকৰিৰ বিতৰণ তিনিটা কাৰকে পৰিচালনা কৰে।

(1) কাৰিকৰী দিশৰ অগ্ৰগতিৰ বৈশিষ্ট্যসমূহ

(2) দৰমহাৰ মীমাংসা, বৃত্তিমুখী সংস্থাসমূহ, দেশৰ দৰমহাৰ প্ৰচলিত আপেক্ষিক প্ৰভেদ আদি দৰ দাম কৰা শক্তিয়ে পৰিচালনা কৰে।

(3) নিয়োগকৰ্তা আৰু কৰ্মচাৰী মাজত প্ৰশিক্ষণৰ খৰচৰ বিভাজন।

চাকৰিৰ নিৰ্দিষ্টকৰণ আৰু গাঁথনিৰ পৰিবৰ্তন কৰি চৰকাৰে এটা বিবেচনাপূৰ্ণ দৰমহাৰ নীতি নিৰ্ধাৰণৰ বাবে থুৰুয়ে পৰামৰ্শ আগবঢ়াইছে। এক সফল আহিলা আৰু শিক্ষা আৰু প্ৰশিক্ষণৰ নিৰ্দিষ্ট স্তৰ আৰু প্ৰকাৰৰ আহৰণ পিছত বজাৰত চাকৰিৰ শাৰী পতা শ্ৰমিকৰ যোগান ব্যৱস্থাতকৈ আয় বৈষম্যতা কমোৱাত সহায় কৰিব।

দেশৰ জনশক্তিৰ পৰিচালনা পদ্ধতি অতি গুৰুত্বপূৰ্ণ। গুৰুত্বপূৰ্ণ দিশবোৰ যেনে অৰ্থনৈতিক গাঁথনি, চাকৰিৰ নিৰ্দিষ্টকৰণ, কাৰিকৰী দিশৰ অগ্ৰগতি, ব্যৱসায় সংস্থাৰ ভূমিকা, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ লগত প্ৰয়োজনীয় কৌশল আৰু চাকৰি বৈশিষ্ট্যৰ যোগান, শ্ৰমিক আইন আৰু দৰমহা, ৰাজহুৱা স্বাস্থ্যৰ যত্ন ক্ষেত্ৰত বিনিয়োগ আৰু শ্ৰমিকৰ

টোকা

অধিক যোগানৰ ব্যৱস্থাপনা সমূহ নিয়মিতভাৱে নিৰীক্ষণ কৰা উচিত। ইয়ে জন-শক্তি পৰিচালনাত সহায় কৰিব আৰু বৰ্ধিত বৃত্তিমূলক আৰু কাৰিকৰী বৃত্তিসমূহৰ চাকৰিৰ সুবিধাৰ চাহিদা আৰু যোগান ব্যৱস্থাপনাৰ ক্ষেত্ৰত সহায়ক হ'ব। শ্ৰমিকৰ অতিৰিক্ত যোগানে বৃত্তিটোৰ প্ৰৱেশৰ বাবে প্ৰয়োজনীয় অৰ্হতা উন্নত মানৰ কৰবিলগীয়া হয় যিটো শ্ৰমিকৰ চাহিদা আৰু যোগানৰ ক্ষেত্ৰত খাপ নোখোৱা বিধৰ হ'ব। এইটো সম্ভৱ যে তলখাপৰ চাকৰিত উচ্চ অৰ্হতাসম্পন্ন আৰু শিক্ষা আৰু প্ৰশিক্ষণৰ থকা ব্যক্তিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। বজাৰৰ এনেধৰণৰ পৰিস্থিতিয়ে শিক্ষা আৰু বৃত্তিমূলক প্ৰশিক্ষণৰ বিনিয়োগৰ ক্ষেত্ৰত এক ভুল বাৰ্তা বহন কৰিব। এইটো হ'ব নালাগে।

সামৰণিত এইটো ক'ব পাৰি যে শিক্ষা আৰু প্ৰশিক্ষণৰ পৰা আশা কৰা মতে পাব লগাটো নাপালেও ই এটা অপচয়মূলক খৰচ হ'ব নালাগে। যিহেতু শিক্ষিত ব্যক্তিজন তেওঁৰ পৰিয়ালৰ নিজৰ আৰু সমাজৰ বাবে এটা সম্পদ। তলৰ ক্ৰিয়াকলাপৰ সহায়ত আপুনি নিজে নিজে উলিয়াওক।

**ক্ৰিয়াকলাপ/প্ৰকল্প**

(1) আপোনাৰ নিজৰ অঞ্চলত 10-15 ঘৰ পৰিয়ালৰ জৰীপ কৰি আৰু পৰিয়াল কৰ্মৰত ব্যক্তিৰ শৈক্ষিক অৰ্হতাক লৈ বৃত্তিৰ অৱস্থাৰ অধ্যয়ন কৰক। শিক্ষিত অৱস্থা দুটা ভাগত ভগাব পাৰি (ক) সাধাৰণ শিক্ষা (খ) প্ৰশিক্ষণ।

(2) শৈক্ষিক অৱস্থাৰ সম্পৰ্কত কৰ্মৰত ব্যক্তিসকলৰ আয়ৰ বৈষম্যতা পাইছে নেকি? যদি পাইছে আয়ৰ বৈষম্যতাৰ কাৰণ চিনাক্ত কৰক।

| **পৰিয়ালৰ ক্ৰমিক নং** | **পৰিয়ালৰ কৰ্মৰত সদস্যৰ সংখ্যা** | **কৰ্মৰত সদস্যৰ বয়স (বছৰ হিচাপে) (বয়স)** | **কৰ্মৰত সদস্যৰ শৈক্ষিক অৱস্থা** | **প্ৰশিক্ষণ** | **কৰ্মৰত সদস্যৰ ব্যৱসায়** | **বাৰ্ষিক আয়** |
|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| পৰিয়াল 1 | 1<br>2<br>3<br>4 | | | | | |
| পৰিয়াল 2 | 1<br>2<br>3<br>4 | | | | | |
| পৰিয়াল 3 | 1<br>2<br>3<br>4 | | | | | |
| পৰিয়াল 4 | 1<br>2<br>3<br>4 | | | | | |



টোকা

**টোকা ঃ**

1. সমাজৰ পৰা সুবিধা অনুযায়ী 10-15 পৰিয়াল অধ্যয়ন কৰক। ওপৰৰ তালিকাৰ স্তম্ভবোৰ আৰ্হি হিচাবে দিয়া হৈছে। আপুনি পৰিয়াল সদস্যৰ নম্বৰবোৰ বেছি কৰিব পাৰে।

2. পৰিয়ালৰ কৰ্মৰত সদস্যৰ আয়ৰ তথ্য সংগ্ৰহ কৰক

3. **শিক্ষাৰ অৰ্থ ঃ** (ক) স্বাক্ষৰ (খ) প্ৰাইমাৰী উত্তীৰ্ণ (গ) উচ্চ প্ৰাইমাৰী উত্তীৰ্ণ (ঘ) মাধ্যমিক উত্তীৰ্ণ (ঙ) উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ (চ) স্নাতক উত্তীৰ্ণ (ছ) স্নাতকোত্তৰ উত্তীৰ্ণ আৰু তাৰ ওপৰত (স্তম্ভ 4)

**প্ৰশিক্ষণৰ অৰ্থ ঃ** এটা বিশেষ বৃত্তিৰ বৃত্তিমূলক বা কাৰিকৰী শিক্ষা, যেনে - মেকানিক, ড্ৰাফটম্যান, পাটোৱাৰী, ইলেক্ট্ৰিচিয়ান, প্লাম্বাৰ, শিক্ষক, ওভাৰচিয়াৰ, ইঞ্জিনিয়াৰ, ফাৰ্মাচিষ্ট, ডাক্তৰ, নাৰ্চ ইত্যাদি (স্তম্ভ 6)। প্ৰশিক্ষণৰ অৰ্হতা বা কোনটো পৰ্যায়ৰ প্ৰশিক্ষণ (ক) চাৰ্টিফিকেট কোৰ্চ (খ) ডিপ্লমা কোৰ্চ (গ) স্নাতক কোৰ্চ আদি (স্তম্ভ-5)

**সংগৃহীত তথ্যৰ পৰা সিদ্ধান্ত উলিয়াওক ঃ**

(1) পৰিয়ালৰ কৰ্মৰত স্বাক্ষৰপ্ৰাপ্ত শিক্ষিত সদস্যই বেছি আয় কৰে?

(2) উচ্চ শিক্ষাৰ বাবে কৰ্মৰত সদস্যৰ আয় বেছি নেকি (স্তম্ভ 4ৰ আয়ৰ তুলনা কৰাৰ ক্ষেত্ৰত)।

(3) বৃত্তিগত শিক্ষাৰ (প্ৰশিক্ষণ) বাবে কৰ্মৰত সদস্যৰ আয় বেছি নেকি? 5 নং স্তম্ভৰ কৰ্মৰত সদস্যৰ বাৰ্ষিক আয় তুলনা কৰক।

(4) কোনটো বৃত্তিৰ কৰ্মৰত সদস্যই বেছি আয় কৰে?

(5) কৰ্মৰত সদস্যৰ বয়সৰ বাবে আয় বাঢ়ে নেকি?

## 12.3 পৰিচালনা পদ্ধতিৰ প্ৰকাৰসমূহ

শৈক্ষিক পৰিকল্পনাৰ ফালৰ পৰা ইয়াত চাৰিটা পদ্ধতি বিবেচনা কৰা হৈছে। প্ৰকাশিত তথ্যত পোৱা কাৰিকৰী দিশৰ তাত্বিক ৰূপৰ ওপৰত আলোচনা কৰি সকলোৰে মাজত ভোগোৱাৰ দিহা কৰক।

### 12.3.1 জন-শক্তিৰ প্ৰয়োজনীয়তা

এই পদ্ধতিমতে দেশত অৰ্থনৈতিক অৱস্থা বা জন-শক্তি ওপৰত নজৰ দি শৈক্ষিক পৰিকল্পনা কৰা হয়। সেৱা আৰু দ্ৰব্যৰ উৎপাদন ক্ষেত্ৰত উৎপাদনমূলক কামৰ বাবে শ্ৰমিকৰ প্ৰয়োজন। ই ক্ষেত্ৰত সাধাৰণ শিক্ষা বা বিশেষ দক্ষতাৰ প্ৰয়োজন হ'ব পাৰে। যেতিয়া উৎপাদন প্ৰক্ৰিয়া সহজ হয় সেই ক্ষেত্ৰত শিক্ষা আৰু দক্ষতাও সহজ হ'লে হয়। সেইদৰে উৎপাদন প্ৰক্ৰিয়া জটিল হ'লে দক্ষতা আৰু সাধাৰণ শিক্ষা উচ্চ স্তৰৰ আৰু বিশেষ প্ৰশিক্ষণৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে কম্পিউটাৰ উদ্যোগত কাৰিকৰী সামগ্ৰী, মোবাইল ফোন বা ঔষধপাতি উৎপাদনৰ ক্ষেত্ৰত অকল ভাল সাধাৰণ শিক্ষা থাকিলে নহ'ব, ইয়াত বিশেষ ধৰণৰ দক্ষতাৰ প্ৰয়োজন যিটো বিশেষ প্ৰশিক্ষণৰ জৰিয়তে



টোকা

আয়ত্ব কৰিব পাৰে। সেই কাৰণে শৈক্ষিক পৰিকল্পনা কৰাৰ দক্ষ ব্যক্তিসকলে তেওঁলোকৰ বিশেষ জ্ঞান আৰু নিপুণতাৰ জৰিয়তে অৰ্থনৈতিক দিশৰ বিভিন্ন বিভাগত উৎপাদন প্ৰক্ৰিয়াৰ বাবে প্ৰয়োজনীয় জন-শক্তিৰ ওপৰত কাম কৰে। আগত বৰ্ণনা কৰা মতে আজিৰ পৃথিৱী অধিক কাৰিকৰী আৰু প্ৰতিযোগিতামূলক, সেয়েহে দেশত কাম কৰি থকা ব্যক্তিসকলৰ সাধাৰণ শিক্ষা আৰু বৃত্তিমূলক শিক্ষাৰ পৰ্যায়বোৰ বেছি উৎপাদন আৰু সম্পদ গঢ়াৰ কাৰণে প্ৰয়োজনীয় জন-শক্তিৰ আধাৰত হ'ব লাগে। ভৱিষ্যতৰ জন-শক্তিৰ প্ৰয়োজনীয় সমূহ আৰু প্ৰত্যাহ্বান পূৰণৰ বাবে দেশৰ যুৱ শক্তি শিক্ষিত আৰু প্ৰশিক্ষণ দিয়াটো প্ৰয়োজনীয়। সেয়েহে জন-শক্তিৰ প্ৰয়োজন পদ্ধতি দেশৰ বিভিন্ন প্ৰকাৰৰ বৃত্তি সৈতে মিলাই শিক্ষা আৰু প্ৰশিক্ষণত পৰ্যায়বোৰ সংযোগ কৰে।

## 12.3.2 খৰচ-লাভালাভৰ বিশ্লেষণ

এইটো ধৰি লোৱা হয় যে বিদ্যালয়ত অতিৰিক্ত বছৰ আৰু চাকৰি কৰি থকা কালতে প্ৰশিক্ষণৰ জৰিয়তে সজাগতা, দক্ষতা আৰু বুজাৰ ক্ষেত্ৰত লাভবান হয় আৰু এইটো আশা কৰা হয় যে ইয়ে ব্যক্তি আৰু সমাজৰ অধিক আৰু বিশেষ দক্ষতা লাভ কৰিব। এটা দিনত শিক্ষাক অৱসৰ বিনোদনৰ ক্ৰিয়াকলাপ হিচাবে বিবেচনা কৰা হৈছিল। এতিয়া শিক্ষা উৎপাদনমূলক বিনিয়োগ হিচাপে বিবেচনা কৰা হয়। কাৰিকৰী দিশত প্ৰগতিৰ নিমিত্তে, প্ৰসাৰ, মান উন্নীতকৰণ আৰু বিভিন্ন ধৰণৰ জন-শক্তি প্ৰয়োজন হোৱাৰ বাবে শিক্ষাৰ চাহিদাৰ ওপৰত জোৰ দিয়া হৈছে।

**খৰচ লাভালাভৰ ধাৰণা**

এক বিশেষ ধৰণৰ দ্ৰব্য বা সেৱাৰ উৎপাদনৰ হ'ল আন ধৰণৰ দ্ৰব্য বা সেৱাৰ খৰচত। এটা বিকল্প পাবলৈ আন এক বিকল্প ত্যাগ কৰিব লাগিব। পৰিয়ালে ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠায় তেওঁলোকে কৰ আৰু মাচুল দিয়ে। তেওঁলোক শিক্ষা ভোক্তা। পৰিয়ালবোৰে তেওঁলোক সদস্যক বিদ্যালয়লৈ পঠোৱা বাবে আয় পৰিহাৰ কৰিব লগা হয়। এই ধৰণৰ খৰচ পৰিয়ালৰ বাবে প্ৰত্যেক খৰচ আৰু আন ধৰণৰ খৰচ হ'ল 'সুবিধাৰ বাবে খৰচ'। শিক্ষা প্ৰতিষ্ঠানৰ কাৰণে কৰা খৰচ যেনে দৰমহা, যাৱতীয় মাচুল, সঞ্চয় ব্যৱস্থাৰ যোগান অৱমূল্যন আদি আকৌ সমাজৰ কাৰণে সম্পদৰ খৰচ। শিক্ষা লোৱাৰ কাৰণে সুবিধাটো এক ধৰণ বিনিময় যিটোৱে আন এটাক বিনিময় কৰে। তাৰোপৰি চৰকাৰী অনুষ্ঠানত ব্যক্তিক কম খৰচত শিক্ষাৰ সুবিধা প্ৰদান কৰে, আনহাতে শিক্ষানুষ্ঠান চলাই নিবলৈ চৰকাৰৰ অধিক খৰচ হয়। ইয়াৰ অৰ্থ হ'ল যি শিক্ষা লাভ কৰে তেওঁলোক খৰচৰ আচল গৰাকী নহয়। কৰ দিয়াৰ জৰিয়তে আনে ইয়াৰ খৰচ বহন কৰে। উদাহৰণ স্বৰূপে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী মুক্ত আৰু বাধ্যতামূলক চৰকাৰী প্ৰাথমিক শিক্ষা লোৱাৰ ক্ষেত্ৰত। ইয়াত শিশুৱে শিক্ষা লাভ কৰে আৰু চৰকাৰে খৰচ বহন কৰে। লাভটো দুই ধৰণত বিবেচনা কৰিব পাৰি (1) অৰ্থনৈতিক বা বিত্তীয় লাভ (2) যাৱতীয় লাভ। অৰ্থনৈতিক লাভৰ উদাহৰণ হ'ল ব্যক্তিৰ কৰ্মৰত জীৱন কালত



টোকা

উপাৰ্জন কৰা ধন। অ-বিত্তীয় লাভ হ'ল পৰোক্ষ লাভ যেনে -

- ভাল নাগৰিকৰ মূল্যবোধ
- কৰ্ম-সংস্কৃতিৰ ক্ষেত্ৰত জ্ঞান, দক্ষতা আৰু মনোভাব

শিক্ষাৰ বাবে ব্যক্তি, সমাজ বা ৰাষ্ট্ৰৰ লাভ হোৱাৰ উপৰিও শিক্ষিত জন-শক্তি আৰু লাভান্বিত হয় যিহেতু

● ৰাষ্ট্ৰীয় আয়ৰ ক্ষেত্ৰত প্ৰত্যক্ষ অৰ্থনৈতিক লাভালাভৰ বৰ্ধন যিহেতু শিক্ষিত আৰু দক্ষতাপ্ৰাপ্ত জন-শক্তিৰ উৎপাদন অশিক্ষিত জন-শক্তিতকৈ অধিক।

ব্যক্তি বা সমাজৰ শিক্ষা আৰু প্ৰশিক্ষণৰ চাহিদা খৰচ-লাভালাভৰ সূত্ৰৰ ওপৰত নিৰ্ভৰশীল। ভাৰতবৰ্ষ সন্দৰ্ভত চাওক-কেনেকৈ স্কুল, কলেজ আদি শিক্ষানুষ্ঠান আৰু শিক্ষাৰ সম্প্ৰসাৰণ হৈ আছে।

## 12.3.3 সামাজিক চাহিদা

অৰ্থনৈতিক বিকাশৰ বাবে শিক্ষাৰ সামাজিক চাহিদা বাঢ়িছে। প্ৰতিখন দেশতে অৰ্থনৈতিক বিকাশৰ বাবে জীৱন ধাৰণৰ মানদণ্ড বৃদ্ধি পাইছে। বৰ্ধিত জীৱন ধাৰণৰ মানৰ বাবে সামাজিক আশা-আকাংক্ষা আৰু সামাজিক সময়ত ক্ষেত্ৰত সজাগতাও বাঢ়িছে। বিভিন্ন সামাজিক দলসমূহৰ মাজত শিক্ষাৰ চাহিদা বাঢ়িছে আৰু বুনিয়াদী শিক্ষাক (প্ৰাইমাৰী শিক্ষা) মানৱ অধিকাৰ হিচাপে নিশ্চিত কৰাৰ বাবে মাত মাতিছে। সেই কাৰণে ভাৰতবৰ্ষ স্বাধীনতাৰ বহু বছৰ পাছত শিক্ষাৰ অধিকাৰ আইন (2009) পাছ কৰিছে আৰু গোটেই দেশতে 2010 চনৰ এপ্ৰিলৰ পৰা ইয়াক প্ৰয়োগ কৰিছে। এই আইনৰ মূল উপাদানসমূহ এই পাঠৰ বিভিন্ন ঠাইত উনুকিয়াও হেতুকে সেইবোৰ স্মৰণ কৰিব পাৰিব।

শিক্ষাৰ অধিকাৰ আইন (2009)ৰ পাচটা মূল উপাদান উল্লেখ কৰক?

- 
- 
- 
- 
- 

## 12.3.4. সামাজিক ন্যায়

সামাজিক ন্যায় পোৱাটোৱেই ভাৰতীয় সংবিধানৰ মূল লক্ষ্য। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সামাজিক ন্যায়ৰ বিষয়ে উল্লেখ কৰিছে। দেশৰ ন্যায়ালয়সমূহে ইয়াৰ কাৰ্যকৰী কৰণক নিশ্চিত কৰাৰ বাবে চেষ্টা কৰি আহিছে। সমাজৰ অবহেলিত লোকসকল স্বাৰ্থ ৰক্ষা কৰাৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে সামাজিক ন্যায় দিয়াৰ বাবে চৰকাৰ আৰু বিধানসভাসমূহে বিভিন্ন আইন প্ৰণয়ন কৰিছে। এই অবহেলিত অংশবোৰ



টোকা

হ'ল অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা জাতি, সংখ্যালঘু ইত্যাদি।

অনুসূচিত জাতি /অনুসূচিত জনজাতি/অন্যান্য পিছপৰা জাতিৰ কাৰণে আপোনাৰ ৰাজ্যত চৰকাৰে শিক্ষাৰ ওপৰত লোৱা দুখন আঁচনিৰ কথা উল্লেখ কৰিব পাৰিবনে?

## 12.4 বিদ্যালয় আৰু সামাজিক অংশীদাৰিত্বৰ সবলীকৰণৰ বাবে প্ৰতিটো পদ্ধতিৰ প্ৰাসংগিকতা

ওপৰৰ আলোচনাত আপুনি চাৰিটা পদ্ধতি যেনে - জন-শক্তিৰ প্ৰয়োজনীয়তা খৰচ, লাভালাভ, সামাজিক চাহিদা আৰু সামাজিক ন্যায়, সম্পৰ্কে জানিব পাৰিছে, যিবোৰে শিক্ষা আৰু ইয়াৰ পৰিচালনাৰ চাহিদাৰ কাৰণে বিচাৰে ঃ

- শিক্ষা আৰু প্ৰশিক্ষণৰ প্ৰসাৰ
- সামাজিক আৰু অৰ্থনৈতিক বৈষম্যতা আৰু আনবোৰ অসুবিধা হ্ৰাস।
- ভাল আৰু দায়িত্বশীল নাগৰিকৰ জৰিয়তে ৰাষ্ট্ৰ গঠন
- ভাল শিক্ষা আৰু প্ৰশিক্ষণৰ সবলীকৰণৰ বাবে বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বৰ অতি প্ৰয়োজন।

**কেনেকৈ ? তলৰ দিয়া সমস্যাসমূহৰ বিষয়ে ভাবক।**

✓ ছোৱালীয়ে বিদ্যালয়লৈ নাযায় কিয়নো অভিভাৱকে পঠাব নিবিচাৰে

✓ ল'ৰা-ছোৱালীবোৰৰ বিদ্যালয় এৰা গড় অতি বেছি।

✓ বিদ্যালয়ৰ শিক্ষক অভিভাৱক সংস্থা বা শিক্ষক-মাতৃৰ সংস্থা উন্নয়নমূলক আঁচনি কাৰ্যকৰণত সক্ৰিয়ভাৱে জড়িত নহয়।

ওপৰৰ সকলো সমস্যাৰ সমাধানৰ প্ৰয়োজন। বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব ভূমিকা অতি প্ৰয়োজনীয়।

বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব সবল কৰিবলৈ ওপৰত উল্লেখ কৰা সমস্যা তিনিটাৰ ওপৰত আপুনি পৰামৰ্শ আগবঢ়াব পাৰিবনে?

1. ছোৱালীবোৰ বিদ্যালয়লৈ নাযায় (পৰামৰ্শ)

- 
- 
- 

2. ল'ৰা-ছোৱালীৰ বিদ্যালয় এৰাৰ অনুপাত অতি বেছি (পৰামৰ্শ)

- 
- 



টোকা

3. শিক্ষক-অভিভাৱক আৰু শিক্ষক-মাতৃ সংস্থাৰ সহযোগ বিচাৰি পৰামৰ্শ।

- 
- 

## 12.5 বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্ব আৰু ইয়াৰ সম্পৰ্কৰ সবলীকৰণৰ প্ৰক্ৰিয়া পৰিচালনা আৰু সংগঠন

শিশু মুক্ত আৰু বাধ্যতামূলক শিক্ষা অধিকাৰ (2009) RTE Act 2009) আইনৰ 21নং দফাত বিদ্যালয় পৰিচালনা কমিটীৰ গঠন (স্থানীয় কৰ্তৃপক্ষ, অভিভাৱক, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ আৰু শিক্ষক নিৰ্বাচিত সদস্যৰ জৰিয়তে গঠিত) কৰাৰ সুবিধা দিয়া হৈছে। বিদ্যালয় পৰিচালনা কমিটীৰ তলত দিয়া কাম সমূহ কৰিব,যেনে-

(ক) বিদ্যালয়ৰ প্ৰচলিত কাৰ্যক্ৰমৰ নিৰীক্ষণ

(খ) বিদ্যালয় উন্নয়ন পৰিকল্পনা আৰু পৰামৰ্শ

(গ) চৰকাৰ বা স্থানীয় কৰ্তৃপক্ষ বা আন ধৰণৰ উৎসৰ পৰা পোৱা অনুদানৰ খৰচৰ ব্যৱহাৰৰ নিৰীক্ষণ আৰু

(ঘ) এনেধৰণ নিৰ্ধাৰণ কৰা আন কাম সম্পাদনা

বিদ্যালয় উন্নয়ন পৰিকল্পনাৰ প্ৰস্তুতি আৰু পৰামৰ্শৰ ক্ষেত্ৰত বিদ্যালয় আৰু সমাজৰ অংশীদাৰিত্বৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াৰ বাবে 2009 শিক্ষা অধিকাৰ আইনত বিধিগত ব্যৱস্থা কৰা হৈছে। বিদ্যালয়ৰ কাৰ্যক্ৰমৰ বিদ্যালয় উন্নয়ন সম্পৰ্কত বিদ্যালয় পৰিচালনা কমিটীক নিৰীক্ষণ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে। কিন্তু বিদ্যালয় আৰু সমাজৰ মাজত অংশীদাৰিত্ব সুস্থ আৰু আশানুৰূপ হোৱা বাঞ্ছনীয় আৰু ইটোৱে সিটোৰ কৰ্তৃত্বৰ ওপৰত দখল দিয়া অনুচিত।

উদাহৰণ স্বৰূপে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰী উদ্দেশ্যে কৰা মধ্যাহ্ন ভোজন আঁচনিখন সমাজৰ সহযোগিতাত পৰিচালিতও হোৱা উচিত। শিক্ষক-অভিভাৱক সংস্থা আৰু শিক্ষক-মাতৃ সংস্থাৰ সক্ৰিয় সহযোগত বিদ্যালয় কাৰ্যক্ৰম কৰিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ ক্ষেত্ৰতো নিৰীক্ষণ কৰিব পাৰে। কিন্তু বিদ্যালয়ৰ কাৰ্যক্ৰমত কিছুমান দিশ আছে যিবোৰ দায়িত্ব পালনত স্থানীয় কৰ্তৃপক্ষ বা চৰকাৰৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে উপযুক্ত অৰ্হতাসমূহ শিক্ষণৰ নিযুক্তি আৰু শিক্ষকৰ সংজ্ঞা আৰু চৰ্ত আদি। ইয়াত চৰকাৰ বা স্থানীয় কৰ্তৃপক্ষৰ নীতি আৰু ব্যৱস্থাপনাই ভূমিকা পালন কৰে। বিদ্যালয় পৰিচালনা কমিটীয়ে খালী থকা পদৰ কথা কৰ্তৃপক্ষক অৱগত কৰি বিহিত ব্যৱস্থা কৰাৰ কাৰণে জোৰ দিব পাৰে।

## 12.6. সাৰাংশ ঃ

এই গোটটোত শিক্ষা আৰু প্ৰশিক্ষণৰ পৰিচালনা পদ্ধতিবোৰ যেনে জন-শক্তিৰ প্ৰয়োজনীয়তা, খৰচ-লাভালাভ, সামাজিক চাহিদা আৰু সামাজিক ন্যায়ৰ কথা আৰু



টোকা



জনসাধাৰণৰ কাৰণে কিয় শিক্ষা আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে সেইটো দেখুওৱা হৈছে। শিক্ষা আৰু প্ৰশিক্ষণে কেনেকৈ ব্যক্তি আৰু ৰাইজ সমাজক আৰু বহল অৰ্থ দেশক লাভান্বিত কৰে সেইটো শিকিব পাৰিছে। কিন্তু সম্প্ৰসাৰিত শিক্ষা আৰু শিক্ষানুষ্ঠানসমূহ যেনে বিদ্যালয়, কলেজ আৰু বৃত্তিমূলক ক'ৰ্চ আৰু অনুষ্ঠানবোৰে দেশৰ জনসাধাৰণ জীৱনধাৰণৰ মান বৃদ্ধি কৰিছে, উৎপাদন বৃদ্ধি হৈছে আৰু চৰিত্ৰ গঠন আৰু ভাল নাগৰিক হোৱাৰ বাবে গঢ় দিব পাৰিছে। বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ ক্ষেত্ৰত সমাজৰ সহযোগ বিচৰাটো প্ৰয়োজনীয় আৰু বিদ্যালয় আৰু সমাজ এই দুয়োটা পক্ষৰ মাজত সম্পৰ্ক সবলীকৰণ কৰাৰ প্ৰয়োজন। বিদ্যালয় আৰু সমাজৰ মাজত দ্বন্দ্বৰ পৰা আঁতৰি থকাত সহায় কৰাৰ বাবে বিদ্যালয় আৰু সমাজে পৰিচালনা কৰিব লগা কামকাজবোৰ বেলেগ বেলেগ হোৱা যে দৰকাৰ সেইটো জানিব পাৰিছে।

## 12.7 পৰামৰ্শমূলক আৰু প্ৰসংগ পুথিৰ তালিকা ঃ


1. Garg V.P. (1989) Economics of Education.Metropolitan Book Co. Pvt. Ltd., New Delhi
2. Government of India, Ministry of Human Resource Development (2009): The Right of Children to Free and Compulsory Education Act, 2009, New Delhi.
3. Schultz, T.W. Investment in Education. The Equity, Efficiency Quandary. Journal of Political Economy 80, No.3 (Supp: May/ June) 1972, p.22
4. Thurow Lester, C. (1972) Education and Economic Equality: The Public Interest, Summer, 1972, Reproduced in the Baxler et.al (ed) Economics and Education Policy; Reader. Longman in association with the Open University Press, 1977, p.353.
5. Constitution of India: See Preamble of the Constitution.
6. Blaug.Mark (1980) An Introduction to the Economics of Education. Reprint. Penguin.


## 12.8 গোট অনুশীলনী ঃ

1. যোৱা কেইবছৰ মানত শিক্ষক অভিভাৱক সংস্থা আৰু শিক্ষক মাতৃ সংস্থাসমূহে কেনেধৰণে কাম কাজ কৰিছে তাৰ এটা ঘটনা বিৱৰণ প্ৰস্তুত কৰক।
2. তলৰ দিশকেইটালৈ মন কৰি বিদ্যালয় উন্নয়নৰ পৰিকল্পনা এটা চমু টোকা প্ৰস্তুত কৰক।

- আপোনাৰ বিদ্যালয়ৰ শাৰীৰিক ব্যায়ামৰ সুবিধাৰ ব্যৱস্থা
- বিদ্যালয়ৰ উন্নয়নৰ পৰিকল্পনাৰ অগ্ৰগতিৰ প্ৰশিক্ষণৰ বাবে বিদ্যালয় পৰিচালনা কমিটীৰ ভূমিকা আৰু দায়িত্ব।

3. সমাজ আৰু বিদ্যালয় পৰিচালনা কমিটীয়ে বিদ্যালয় উন্নয়ন পৰিকল্পনাৰ ভূমিকা লোৱা কামকাজৰ কেইটামান দৃশ্য শ্ৰব্য ক্লিপ সংগ্ৰহ কৰক।

******